# 2 0 1 7

## ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) কোনখন পত্ৰিকাক হিন্দী গল্প-সাহিত্যৰ জননী বুলি কোৱা হয়?

(খ) কুবেৰ কোন?

(গ) অসমীয়া ভাষাৰ 'ভদৰী' গল্পটোৰ ৰচক কোন?

(ঘ) দেৱকীনন্দন খত্ৰীৰ 'কাজৰ কী কোঠৰী' হিন্দী সাহিত্যৰ কোন যুগৰ ৰচনা?

(ঙ) গণেশে কাৰ নৌকাত উঠি পদ্মানদীৰ বুকুত মাছ ধৰিছিল?

(চ) হিন্দী ভাষাৰ 'সেৱা সদন' উপন্যাসখনৰ ঔপন্যাসিক-গৰাকীৰ নাম কি?

(ছ) মানিক বন্দ্যোপাধ্যায় ৰচিত প্ৰথমখন উপন্যাসৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) "ডাক্টৰ নে ইচ বাৰ আসপাস কে পন্দ্ৰহ গাঁৱৌ কা পৰিচয় প্ৰাপ্ত কিয়া হেই।" ডাক্টৰজন কোন? তেওঁ চোৰাচিতা কৰা পোন্ধৰখন গাঁও কোন ঠাইত আছিল?

(খ) 'পদ্মানদীৰ মাঝি'-ৰ লেখকগৰাকীৰ এখন গল্পপুথি আৰু এখন কবিতা-পুথিৰ নাম লিখা।

(গ) "দোনো ইচ ৰক্ত শান সে বেইঠে হুয়ে পুৰিয়াঁ খা ৰহে থে।" এই কথাংশৰে কোন দুজন ব্যক্তিৰ কথা 'কফন' গল্পটিত বৰ্ণনা কৰিছে?

(ঘ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱপুষ্ট অসমীয়া সাহিত্যৰ এগৰাকী কবি আৰু এগৰাকী গল্পকাৰৰ নাম উল্লেখ কৰা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) 'পদ্মানদীৰ মাঝি'-ত হোসেন মিঞাৰ চৰিত্ৰ কেনেদৰে বৰ্ণিত হৈছে, চমুকৈ ব্যাখ্যা কৰা।

(খ) বাংলা সাহিত্যলৈ ৰবীন্দ্ৰনাথ ঠাকুৰৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(গ) ফণীশ্বৰনাথ ৰেণুৰ 'ময়লা আঁচল' উপন্যাসখনিত ধৰ্মীয় দিশৰ অধঃপতনৰ ছবি কিদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ঘ) 'পোষ্টমাষ্টাৰ' গল্পটিত নাৰীচেতনাৰ প্ৰকাশ কেনেদৰে ঘটিছে, বৰ্ণনা কৰা।

(ঙ) 'কফন' গল্পটিৰ নামকৰণৰ যথাৰ্থতা বিচাৰ কৰা।

৪। (ক) ‘ময়লা আঁচল’ উপন্যাসখনিত গ্ৰাম্যজীৱনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, এই সম্পৰ্কত এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) হিন্দী কথাসাহিত্যলৈ প্ৰেমচন্দৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

৫। (ক) “‘পদ্মানদীৰ মাঝি’-তে মানিক বন্দ্যোপাধ্যায় বাংলাদেশেৰ সৰ্বাপেক্ষা ভয়াল, ৰহস্যময় দুৰন্ত নদীৰ প্ৰেক্ষাপটে জেলেদেৰ জীৱন ও জীৱনচৰ্যাকে ৰূপায়িত কৰেছেন।” উক্ত বক্তব্যৰ আধাৰত উপন্যাসখনিৰ এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) ‘পদ্মানদীৰ মাঝি’ উপন্যাসখনত আঞ্চলিকতাৰ প্ৰকাশ কিদৰে ঘটিছে, ফঁহিয়াই লিখা।

৬। (ক) ‘কফন’ গল্পটিত আদৰ্শৰ প্ৰতি মোহভংগৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, ব্যাখ্যা কৰা। ১০

*অথবা*

(খ) ‘পোষ্টমাষ্টাৰ’ গল্পটিৰ মূল আবেদন কি, বহলাই আলোচনা কৰা।

★★★